জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৯৩/২০২০

## জ্ঞানজ্যোতি আঁচনিৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## গুৰুসকল তথা মহান মনীষীসকলে দি যোৱা মূল্যবোধৰ আধাৰত পৰিচালিত হৈ জীৱন গঢ় দিলেহে জ্ঞানৰ পৰা জ্যোতি ওলাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** ‘গুৰুসকল তথা মহান মনীষীসকলে দি যোৱা মূল্যবোধৰ আধাৰত পৰিচালিত হৈ জীৱন গঢ় দিলেহে জ্ঞানৰ পৰা জ্যোতি ওলাব আৰু পোহৰৰ দ্বাৰা আলোকিত হৈ জীৱন গঢ় দিয়াৰ বাবেই জ্ঞানজ্যোতি আঁচনি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰখা হৈছে।’ আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰস্থিত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ‘জ্ঞানজ্যোতি আঁচনি’ৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

উল্লেখ্য যে যোৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈ আজি সামৰণি পৰা এই জ্ঞানজ্যোতি কাৰ্যসূচীত ৰাজ্যখনৰ ১৮ খন জিলাৰ সৰ্বমুঠ ১০৪৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যখনৰ ১৮ খন জিলাৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলক গুৱাহাটী মহানগৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ কিছু সংখ্যক শিক্ষা প্ৰতিষ্ঠানকে ধৰি অন্যান্য ক্ষেত্ৰ সমূহ দৰ্শন কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি এই কেইদিন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, আকস্মিক বক্তৃতা, সংগীত, নৃত্য, ৰচনা, চিত্ৰাংকন ইত্যাদিৰ দৰে প্ৰতিযোগিতা অনুষ্ঠিত কৰি তেওঁলোকৰ উৎকৰ্ষ সাধনৰ ব্যৱস্থা কৰা হৈছে।

সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেৱল জ্ঞানৰ জৰিয়তেহে সমাজখন পোহৰাব পৰা যায়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানবৰ্দ্ধনৰ বাবে গভীৰ অধ্যয়নত নিমগ্ন হৈ নিজৰ পিতৃ-মাতৃ, সমাজ, ৰাজ্য তথা ৰাষ্ট্ৰলৈ সুনাম কঢ়িয়াই আনিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ছাত্ৰ-ছাত্ৰী সকল দেশৰ ভৱিষ্যৎ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানী-গুণী হৈ নিজৰ দক্ষতা-যোগ্যতা কৰ্মপথাৰত প্ৰদৰ্শন কৰি লুইতৰ পাৰ জিলিকাব লাগিব বুলিও কয়। কঠোৰ পৰিশ্ৰম অবিহনে সফলতা নাহে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক দৈনিক অতি কমেও ১০ ঘন্টাকৈ অধ্যয়নত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকল সফল হ’লে নিজৰ পিতৃ-মাতৃৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী তথা সমাজৰ সকলোৰে আনন্দ লাভ কৰে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ স্বাস্থ্য অটুট ৰাখি শৃংখলাবদ্ধতা, নিয়মানুৱৰ্তিতা, অনুশাসন বজাই ৰাখি নিজকে যোগ্য আৰু দক্ষ কৰি তোলাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক নিচাযুক্ত দ্ৰব্য আৰু ড্ৰাগছৰ লেখীয়া মহাব্যাধিৰ পৰা সততে নিজকে আঁতৰত ৰখাৰ বাবেও আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ১৩০ কোটি জনতাৰ স্বাস্থ্য অটুট ৰখাৰ বাবে ‘ফিট ইণ্ডিয়া মুভমেন্ট’ৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক দৈনিক শাৰীৰিক অনুশীলনৰে নিজৰ স্বাস্থ্য অটুট ৰখাৰ বাবে আহ্বান জনোৱাৰ উপৰি খাদ্য গ্ৰহণৰ প্ৰতি সদা সচেষ্ট হোৱাৰ বাবেও আহ্বান জনায় যাতে তেওঁলোকৰ সুস্বাস্থ্য সদায়ে অটুট থাকে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে মোবাইল সেৱা তথা ইন্টাৰনেট সেৱা ব্যৱহাৰৰ দিশত সদায়ে সচেতন হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। যি বাৰ্তাই সমাজলৈ ক্ষতি কঢ়িয়াই আনিব পাৰে তেনে

বাৰ্তা প্ৰেৰণ নকৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক উপদেশ দিয়াৰ লগতে যি বাৰ্তাৰ দ্বাৰা আন ১০ জনলৈ আনন্দ কঢ়িয়াই আনে সেই বাৰ্তাহে প্ৰেৰণৰ বাবে উপদেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে শেহতীয়া তথ্য প্ৰযুক্তিয়ে দিয়া আধুনিক সা-সৰঞ্জাম সমূহ জীৱন গঢ়াৰ কামত ব্যৱহাৰ কৰাৰ বাবেও ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। বৰ্তমানৰ বিশ্বত জল সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক জল সংৰক্ষণৰ দিশত নিজকে সৰুৰে পৰা আত্মনিয়োগ কৰাৰ বাবে আহ্বান জনায়। বৰাক-ব্ৰহ্মপুত্ৰ তথা ইয়াৰ ১৩০ খনতকৈও অধিক উপনৈ, অনেক খাল-বিলৰে পৰিপূৰ্ণ আমাৰ ৰাজ্যখন এই দিশত সৌভাগ্যৱান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক আমাৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বাবে সচেষ্ট হোৱাৰ বাবেও উপদেশ দিয়ে। পাৰিপাৰ্শ্বিকতা বজাই ৰখাৰ দিশত গছৰ মূল্য অপৰিসীম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আমাৰ সেউজ পৰিৱেশ অক্ষুণ্ণ ৰখাৰ বাবে বৃক্ষ ৰোপণ কৰি সেই ৰোপণ কৰা বৃক্ষ সমূহৰ উপযুক্ত প্ৰতিপালন কৰাৰ বাবেও আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নিজৰ পিতৃ-মাতৃ, শিক্ষাগুৰু আৰু গুৰু সকলৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক উপদেশ দিয়ে। নিজৰ আচৰণ সকলো সময়তে তথা সকলো ক্ষেত্ৰতে সঠিক ৰূপত ৰখাৰ বাবেও মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

'জ্ঞানজ্যোতি আঁচনি'ৰ জৰিয়তে গুৱাহাটীলৈ অহা ১৮ খন জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মত-বিনিময় কৰাৰ সুযোগ লাভ কৰাৰ উপৰি এক বন্ধুত্বপূৰ্ণ পৰিৱেশৰো ইয়াৰ জৰিয়তে সৃষ্টি হৈছে বুলি উল্লেখ কৰি এই মানসিকতা ভৱিষ্যতলৈ বজাই ৰখাৰ বাবে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উপদেশ দিয়ে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ 'বিশ্ব বিজয়ী ন জোৱান' গীতৰ উদ্ধৃতি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যখনক বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ় দিয়াৰ বাবে নিজকে যোগ্য আৰু দক্ষ হিচাপে প্ৰতিপন্ন কৰাৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জ্ঞানজ্যোতি আঁচনিত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ পৰা এক শক্তিশালী ব্যক্তিত্ব নিৰ্মাণৰে সমাজলৈ অৰ্থৱহ অৰিহণা আগবঢ়োৱাৰ দিশত সংকল্পৱদ্ধ হ'বলৈও আহ্বান জনায়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাত বেছি নম্বৰ পোৱাৰ লগতে নিজৰ ইতিহাস, ভৌগোলিক জ্ঞান বৃদ্ধি কৰাৰ বাবেও আহ্বান জনায়। জ্ঞানজ্যোতি আঁচনিৰ জৰিয়তে বিভিন্ন জিলাৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমন্বয়ৰ সেঁতু বন্ধনৰ সূচনা হৈছে বুলিও তেওঁ কয়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্তমল্ল বৰুৱাই বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে সীমাৰ পৰিধি ভঙাৰ সপোন দেখাৰ লগতে আকাশ চুবৰ মানসিকতা আহৰণ কৰি নিজকে দক্ষ আৰু যোগ্য হিচাপে প্ৰতিপন্ন কৰিব লাগিব বুলি কয়। ভাষণ প্ৰসংগত তেওঁ 'জ্ঞানজ্যোতি আঁচনি'ৰ জৰিয়তে নিৰ্বাচিত কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক বিগত বৰ্ষৰ দৰে এই বৰ্ষতো অসমৰ বাহিৰলৈ দৰ্শনৰ বাবে পঠিওৱা হ'ব বুলি কয়।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে বিভিন্ন জিলাৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি বিভিন্ন জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে মুখ্যমন্ত্ৰীক সম্বৰ্দ্ধনাও জ্ঞাপন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে জ্ঞানজ্যোতি কাৰ্যসূচী উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ এখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে জ্ঞানজ্যোতি আঁচনিৰ শ্ৰেষ্ঠ জিলা হিচাপে বিবেচিত বাক্সা জিলালৈ শ্ৰেষ্ঠ জিলাৰ পুৰস্কাৰ আগবঢ়োৱাৰ উপৰি শ্ৰেষ্ঠ পৰিস্কাৰ-পৰিচ্ছন্ন জিলা হিচাপে ডিব্ৰুগড় জিলালৈ আগবঢ়োৱা পুৰস্কাৰ প্ৰদান কৰে।

কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ আয়ুক্ত সচিব নীতিন খাড়ে, সৰ্বশিক্ষা অভিযান, অসমৰ পৰিচালন সঞ্চালক চমচেৰ সিং, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ উপস্থিত থাকে।

**বঃভাঃ**
**২৭/০২/২০২০**